অধ্যায় ১২ ঃ গৱেষণা-প্ৰণালী পৰিচয়

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ গৱেষণাৰ সংজ্ঞা
১২.৪ গৱেষণাৰ প্ৰয়োজনীয়তা
১২.৫ গৱেষণাৰ প্ৰণালী
১২.৬ প্ৰকাৰভেদ
১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৮ অধিক জানিবলৈ
১২.৯ অগ্ৰগতিৰ খতিয়ান (কৱল ৰূপৰেখা)
১২.১০ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গৱেষণা কি, ইয়াৰ সংজ্ঞাৰ সৈতে পৰিচিত হ'ব।
- গৱেষণাৰ প্ৰয়োজনীয়তা কি- এই বিষয়ে জ্ঞাত হ'ব।
- গৱেষণাৰ বিভিন্ন প্ৰকাৰভেদৰ বিষয়ে জ্ঞাত হ'ব।

১২.৩ পৰিচয়

ইয়াৰ আগৰ অধ্যায়কেইটিত আপুনি লোক-সংস্কৃতি, অসমীয়া লোক-সংস্কৃতি, অসমীয়া জাতি গঠনকে ধৰি অসমীয়া সংস্কৃতিত বিভিন্ন নৃগোষ্ঠীয় উপাদানৰ পৰা বিশ্বায়নলৈকে কেতবোৰ দিশৰ বিস্তৃত আলোচনা লাভ কৰিলে। এইসমূহৰ পৰা লোকসংস্কৃতিৰ পৰা বিশ্বায়নলৈকে আপুনি ধাৰণা লাভ কৰিলে। এই অধ্যায়ৰ পৰা আমি গৱেষণাৰ বিষয়ে কিছু প্ৰণালীবদ্ধ অধ্যয়নত অগ্ৰসৰ হ'ম। শেহতীয়াকৈ বিভিন্ন ক্ষেত্ৰবিলাকৰ দৰেই বিদ্যায়তনিক দিশৰ গৱেষণায়ো বিশেষ গুৰুত্ব লাভ কৰা দেখিবলৈ পোৱা গৈছে। সৰলকৈ এটা বিষয় বা বিশেষ ক্ষেত্ৰৰ বিস্তৃত পদ্ধতিগত বিশ্লেষণাত্মক অধ্যয়নেই গৱেষণা বুলি আপুনি জানি মনত ৰাখিব। এই বিশ্লেষণ-অধ্যয়ন ইতিপূৰ্বে আলোচিত নোহোৱা বিষয় বা ক্ষেত্ৰ হোৱাৰ দৰেই ই কেতিয়াবা ইতিমধ্যে আলোচিত বিষয় বা ক্ষেত্ৰও হ'ব পাৰে। ভাষা-সাহিত্য-সংস্কৃতিৰ বিভিন্ন উন্মোচিত নোহোৱা দিশত আলোকপাত কৰা আৰু ইতিপূৰ্বে আলোচিত বিষয়ক নতুনকৈ বিশ্লেষণ কৰি চোৱাৰ তাড়নাতেই গৱেষণাই বিশেষ গুৰুত্ব দাবী কৰি আহিছে। আপোনাৰ অনাগত দিনত বিভিন্ন বিষয় আৰু ক্ষেত্ৰৰ অধ্যয়নৰ

সহায়ক হোৱাকৈ এই পাঠ্যবিষয়তেই গৱেষণাৰ প্ৰাথমিক ধাৰণাৰ পৰা আৰম্ভ কৰি গৱেষণা এটা কেনেকৈ আগবঢ়াব তাৰ আলোচনাৰ যোগেদি আপোনাক গৱেষণাৰ বাবে আগ্ৰহী আৰু সহজ কৰি তুলাই এই অধ্যায়কেইটিৰ উদ্দেশ্য। এই আধ্যায়ত আপোনাক গৱেষণাৰ সংজ্ঞা, প্ৰয়োজনীয়তা, প্ৰণালী আৰু প্ৰকাৰভেদৰ ধাৰণা দিবলৈ যত্ন কৰা হৈছে ।

১২.৩ গৱেষণাৰ সংজ্ঞা

গৱেষণা সম্পৰ্কে বিভিন্ন সময়ত প্ৰাচ্য আৰু পাশ্চাত্যৰ বিভিন্ন সংজ্ঞা আমি পাওঁ। প্ৰাচ্য আলোচনাত গৱেষণাৰ ঐতিহ্য আমি *ঋকবেদৰ* সময়ৰ পৰা পাওঁ। *ঋকবেদত* 'গৱীষ', 'গৱেষা' শব্দৰ শব্দৰে গো লাভৰ আকাংক্ষা, যুদ্ধ কৰা ইত্যাদি প্ৰসংগ সূচাইছিল। আনহাতে *অথৰ্ববেদৰ* 'গৱেষণঃ শব্দৰ প্ৰত্যক্ষ উল্লেখ পোৱা যায়। *কথাসৰিৎ সাগৱ, মহাভাৰত, হৰিবংশ* আদিতো 'গৱেষ', 'গৱেষণ' আদি শব্দৰ ব্যৱহাৰ লক্ষণীয় (শইকীয়া, ১)। 'গৱেষণা' শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ বিচাৰ কৰিলে দেখা যায় যে, 'গৱেষণা' শব্দই সাধাৰণ অৰ্থত গৰু বিচৰা কাৰ্য বা গৰু সন্ধান প্ৰক্ৰিয়া বুজায়। সংস্কৃত শব্দই প্ৰায়ে সূক্ষ্ম অৰ্থ বহন কৰে, আৰু প্ৰসংগ অনুসৰি ইয়াৰ ব্যাখ্যা ভিন্ন হ'ব পাৰে। গতিকে বহল প্ৰেক্ষাপটত গৰু বিচাৰি উলিওৱাৰ ধাৰণাটো সংস্কৃত সাহিত্যত প্ৰতীকী আৰু ৰূপক বুলিব পাৰি। ভাৰতীয় ঐতিহ্য, সংস্কৃতি আৰু দৰ্শনত সততে পবিত্ৰ বুলি গণ্য কৰা গৰুক ধন-সম্পত্তি, সমৃদ্ধি আৰু জ্ঞানৰ প্ৰতিনিধি বুলি গণ্য কৰা হয়। গতিকে 'গৱেষণা' শব্দটোৱে মূল্যৱান গৰু সাৱধানে চোৱা-চিতা কৰা বা সংগ্ৰহ কৰাৰ দৰে মূল্যৱান জ্ঞান বা অন্তৰ্দৃষ্টিৰ বাবে অধ্যৱসায়ী অনুসন্ধান বা অন্বেষণক বুজাব পাৰে বুলি ধাৰণা কৰি ল'ব পাৰি।

আনহাতে 'গৱেষণা' শব্দটো ফৰাচী শব্দ ৰিচার্চি 'recercher'ৰ পৰা নিসৃত, য'ত 're-'ৰ অৰ্থ হৈছে 'আকৌ' আৰু 'cercher'ৰ অৰ্থ হৈছে 'বিচাৰ কৰা' বা 'অন্বেষণ কৰা'। কালক্ৰমত এই শব্দটোৱে বিকাশ লাভ কৰে আৰু আৰু পাশ্চাত্য জগতত ইয়াৰ বহুল প্ৰচাৰ আৰু প্ৰসাৰ ঘটে। সততে পদ্ধতিগত অনুসন্ধান আৰু অনুসন্ধানৰ বিশেষ প্ৰক্ৰিয়াক বুজাবলৈ এই শব্দৰ প্ৰয়োগ হোৱা দেখা যায়। গতিকে গৱেষণাক তথ্য আৰু নীতি উদ্ধাৰ বা প্ৰতিষ্ঠা কৰিবলৈ কৰা এক সতৰ্কমূলক, পদ্ধতিগত আৰু ধৈৰ্যশীল অধ্যয়ন বুলিব পাৰি। এই ব্যুৎপত্তিগত অৰ্থই অধ্যৱসায়ী আৰু পুনৰাবৃত্তিমূলক জ্ঞানৰ সন্ধান- এই দিশ কেইটা পোহৰাই তুলিছে। ব্যুৎপত্তিৰ পৰা বৰ্তমানলৈকে এই শব্দটোৰ ক্ৰমবিকাশে সংগঠিত আৰু পদ্ধতিগত অনুসন্ধানৰ জৰিয়তে জ্ঞানৰ অন্বেষণ, আৱিষ্কাৰ আৰু বিকাশৰ বাবে কৰা মানৱীয় প্ৰচেষ্টাকেই বুজাইছে।

গৱেষণা হৈছে এক পদ্ধতিগত আৰু সংগঠিত অনুসন্ধান প্ৰক্ৰিয়া যাৰ লক্ষ্য হৈছে নতুন জ্ঞান অন্বেষণ কৰা, প্ৰাপ্ত তথ্যৰ বিচাৰ কৰা বা বিশেষ প্ৰশ্নৰ উত্তৰ নিৰ্ধাৰণ কৰা। বিভিন্ন কৌশল আৰু সঁজুলি ব্যৱহাৰ কৰি তথ্য সংগ্ৰহ, বিশ্লেষণ আৰু ব্যাখ্যা আগবঢ়াই পদ্ধতিগত অনুসন্ধান কৰাই হৈছে গৱেষণা। পণ্ডিতসকলৰ মতে, "গৱেষণা হৈছে জ্ঞানৰ ক্ষেত্ৰখনত কোনো

তথ্য, বিষয় বা নীতি অন্বেষণ বা প্ৰতিষ্ঠা কৰিবলৈ কৰা সতৰ্ক, পদ্ধতিগত, ধৈৰ্য্যশীল অধ্যয়ন আৰু অনুসন্ধান" (কোথাৰী, ২০০৪)।

ক্ৰেছৱেলৰ মতে- 'গৱেষণা হৈছে কোনো, বিষয় বা ক্ষেত্ৰ সম্পৰ্কে আমাৰ ধাৰণা স্পষ্ট কৰিবলৈ তথ্য সংগ্ৰহ আৰু বিশ্লেষণৰ এক পদ্ধতিগত পদক্ষেপ ।'এই সংজ্ঞাই গৱেষণাৰ পদ্ধতিগত প্ৰকৃতিৰ, তথ্য সংগ্ৰহ আৰু ব্যাখ্যাৰ লগত জড়িত পদক্ষেপসমূহৰ ওপৰত গুৰুত্ব দিছে। এটা কথা আপুনি নিশ্চয় বুজি পাইছে যে, গৱেষণা মূলতঃ পদ্ধতিগত, সমালোচনাত্মক চিন্তা, জ্ঞানৰ সন্ধান। লিডি আৰু অৰমৰডে গৱেষণাক 'বিষয় সম্পৰ্কে আমাৰ স্পষ্টতা, সত্যতা বৃদ্ধি কৰিবলৈ পদ্ধতিগতভাৱে তথ্য সংগ্ৰহ আৰু বিশ্লেষণ কৰাৰ পদক্ষেপৰ প্ৰক্ৰিয়া বিশেষ' বুলি বৰ্ণনা কৰিছে (লিডি আৰু অৰমৰডে ২০১৫)।

সমালোচক আৰু গৱেষকসকলৰ মতে- গৱেষণা কেৱল তথ্য সংগ্ৰহৰ এক প্ৰক্ৰিয়া নহয়, বৰঞ্চ জ্ঞানৰ বিশাল ভৰালৈলৈ অগবঢ়োৱা অৱিহণা। চেকাৰন আৰু বৌগীৰ মতে- গৱেষণা হৈছে 'এটা নিৰ্দিষ্ট সমস্যাৰ ওপৰত উত্তৰ বা সমাধান বিচাৰি উলিওৱাৰ উদ্দেশ্যেৰে সংগঠিত, পদ্ধতিগত, তথ্যভিত্তিক, সমালোচনাত্মক, বস্তুনিষ্ঠ দৃষ্টিভংগীৰে কৰা বৈজ্ঞানিক অনুসন্ধান।' (চেকাৰন আৰু বৌগী ২০১৬)। এই সংজ্ঞাই গৱেষণাৰ বৈজ্ঞানিক আৰু সমস্যা সমাধানৰ প্ৰকৃতিৰ ওপৰত আলোকপাত কৰে।

ওপৰৰ মূল ব্যুৎপত্তিগত অৰ্থৰ পৰা বিভিন্ন মতামতসমূহ বিশ্লেষণ কৰিলে এই কথা স্পষ্ট হয় যে- গৱেষণা তথ্য বা জ্ঞান অন্বেষণ, ইয়াৰ পুনৰীক্ষণ আৰু বিশ্লেষণৰ বাবে কৰা শৃংখলিত পদ্ধতিগত এক প্ৰক্ৰিয়া।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ গৱেষণা বুলিলে কি বুজে? গৱেষণাৰ সংজ্ঞা আগবঢ়াওক । (১০০টা শব্দৰ ভিতৰত লিখক)

১২.৪ গৱেষণাৰ প্ৰয়োজনীয়তা

মানুহৰ মন কৌতুহলেৰে ভৰা। মানুহে নজনাক জানিবলৈ, নেদেখাক চাবলৈ, কৌতূহল নিবাৰণ কৰিবলৈ, জীৱনত সন্মূখীন হোৱা সমস্যাৰ সমাধান সূত্ৰ নিৰ্ণয় কৰিবলৈ সদায়ে চেষ্টা কৰি আহিছে। এই অন্বেষণেই মানৱ সভ্যতাক বৰ্তমানৰ পৰ্যায়লৈ আনিছে বুলি আপুনি ধাৰণা কৰিব পাৰিছে নিশ্চয়। সময় অনুসৰি ইয়াৰ স্বৰূপ পৰিৱৰ্তন হৈছে আৰু বিকাশ হৈছে। শেহতীয়াকৈ বিভিন্ন শৈক্ষিক শাখা আৰু উদ্যোগত গৱেষণাই বিশেষ গুৰুত্ব লাভ কৰিছে। ই জ্ঞানৰ বিকাশ, সমস্যা সমাধান, নব্য উদ্ভাৱন, সেইবোৰৰ সত্যতা নিৰ্ণয় আৰু বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিভিন্ন সময়ত পণ্ডিত আৰু গৱেষকসকলে গৱেষণাৰ প্ৰয়োজনীয়তাৰ বিভিন্ন দিশ

আলোচনা কৰিছে। সেইবোৰ আমি তলত দিয়া ধৰণেৰে আলোচনা কৰিব পাৰোঁ।

- **জ্ঞানৰ অন্বেষণ আৰু বিকাশ**

গৱেষণাৰ প্ৰাথমিক চৰ্তই হৈছে জ্ঞান সম্প্ৰসাৰণ। কোথাৰীয়ে আঙুলিয়াই দিয়াৰ দৰে ই হৈছে তথ্য, নীতি আৱিষ্কাৰ বা প্ৰতিষ্ঠা কৰিবলৈ গ্ৰহণ কৰা পদ্ধতিগত অনুসন্ধানৰ এক প্ৰক্ৰিয়া। গৱেষণাৰ জৰিয়তে নতুন তথ্যৰ সৃষ্টি হয়, যিয়ে বিভিন্ন ক্ষেত্ৰত জ্ঞানৰ অন্বেষণ আৰু বিকাশত অৰিহণা যোগায়।

- **সমস্যা সমাধান আৰু সিদ্ধান্ত গ্ৰহণ**

শৈক্ষিক আৰু ব্যৱহাৰিক প্ৰেক্ষাপটত গৱেষণাই সমস্যা সমাধান আৰু সিদ্ধান্ত গ্ৰহণৰ এক শক্তিশালী আহিলা হিচাপে কাম কৰে। ই দৈনন্দিন জীৱনৰ প্ৰত্যাহ্বানসমূহৰ সৈতে মুখামুখী হ'বলৈ প্ৰয়োজনীয় প্ৰমাণ আৰু অন্তৰ্দৃষ্টি প্ৰদান কৰে (ক্ৰেছৱেল, ২০১৪)।

- **উদ্ভাৱন আৰু উন্নয়ন**

গৱেষণা হৈছে উদ্ভাৱন আৰু উন্নয়নৰ আঁৰৰ এক চালিকা শক্তি। লিডি আৰু অৰমৰডে ইয়াক পদ্ধতিগতভাৱে তথ্য সংগ্ৰহ আৰু বিশ্লেষণৰ প্ৰক্ৰিয়া হিচাপে বৰ্ণনা কৰিছে । বিজ্ঞান, প্ৰযুক্তি আৰু বিভিন্ন উদ্যোগৰ ক্ষেত্ৰত গৱেষণাৰ ফলত নতুন ধাৰণা, পদ্ধতি আৰু সমাধান আৱিষ্কাৰ হয়, যাৰ ফলত বিকাশ আৰু উন্নয়ণ সম্ভৱ হৈ পৰে।

- **পৰীক্ষা আৰু বৈধতা নিৰুপণ**

গৱেষণাৰ এটা গুৰুত্বপূৰ্ণ দিশ হ'ল বিদ্যমান জ্ঞানৰ সত্যাসত্য প্ৰমাণ কৰা আৰু বৈধতা নিৰ্দ্ধপণ কৰা। সংগঠিত পদ্ধতিৰ জৰিয়তে গৱেষকসকলে প্ৰতিষ্ঠিত তথ্যসমূহ নিশ্চিত কৰে বা প্ৰত্যাহ্বান জনায় আৰু তথ্যৰ নিৰ্ভৰযোগ্যতা নিশ্চিত কৰে।

- **সাহিত্য আৰু শিক্ষাৰ ক্ষেত্ৰত অৱদান**

শৈক্ষিক ভঁৰাললৈ অৰিহণা যোগোৱাৰ বাবে গৱেষণা অতি প্ৰয়োজনীয়। পণ্ডিতসকলে পদ্ধতিগত অনুসন্ধানত জড়িতহোৱাৰ লগে লগে তেওঁলোকে নিজৰ তথ্যসমূহ গৱেষণামূলক আলোচনীত প্ৰকাশ কৰে, যাৰ ফলত সাহিত্যৰ ইতিমধ্যে থকা ভঁৰাল আৰু সমৃদ্ধ হয়। গৱেষণা আৰু প্ৰকাশৰ এই অবিৰত চক্ৰই শিক্ষাৰ মান বৃদ্ধি কৰে আৰু বৌদ্ধিক ভঁৰাল সমৃদ্ধ আৰু প্ৰসাৰ কৰে।

গতিকে জ্ঞানৰ বিকাশ, সমস্যা সমাধান, উদ্ভাৱন, তথ্যৰ সত্যাসত্য নিৰ্দ্ধপণ, শৈক্ষিক আৰু ব্যৱহাৰিক ক্ষেত্ৰত নিত্য নতুন সংযোজনৰ বাবে গৱেষণাৰ প্ৰয়োজন। কোথাৰী, ক্ৰেছৱেল,

লিডি, অৰমৰড, চেকাৰন আৰু বৌগীৰ সংজ্ঞাসমূহে গৱেষণাৰ পদ্ধতিগত আৰু সমালোচনাত্মক প্ৰকৃতিৰ বিষয়ে আমাক জানিব দিয়ে।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ২ঃ গৱেষণাৰ প্ৰয়োজনীয়তা সম্পৰ্কে টোকা প্ৰস্তুত কৰক। (১০০টা শব্দৰ ভিতৰত লিখক)

১২.৫ গৱেষণাৰ প্ৰণালী

আমি আগতেই কৈছো যে গৱেষণা এক পদ্ধতিগত, প্ৰণালীগত অধ্যয়ন প্ৰক্ৰিয়া। গৱেষণা প্ৰণালী বুলিলে গৱেষণাৰ সময়ত তথ্য সংগ্ৰহ আৰু বিশ্লেষণৰ বাবে ব্যৱহাৰ কৰা নিয়ম শৃংখলা বা পদ্ধতিক বুজায়। গৱেষণা প্ৰণালীয়ে গৱেষকসকলে তথ্য সংগ্ৰহৰ বাবে ব্যৱহাৰ কৰা নিৰ্দিষ্ট কৌশল আৰু সঁজুলিসমূহক সামৰি লয়। অনুসন্ধানৰ সুসংগঠিত প্ৰক্ৰিয়াৰ ফলত গৱেষণাৰ সিদ্ধান্ত বিলাক স্পষ্ট হৈ পৰে। গৱেষণা প্ৰণালীয়েই হৈছে সমগ্ৰ গৱেষণা প্ৰক্ৰিয়াটোৰ পথ প্ৰদৰ্শকৰ দৰে। ইয়াৰ ভেটিতেই গৱেষকৰ অনুসন্ধানৰ দৃষ্টিভংগী গা কৰি উঠে আৰু তাত্ত্বিক আধাৰ স্পষ্ট কৰি তোলে। প্ৰণালীয়ে নিৰ্বাচিত গৱেষণা পদ্ধতিৰ আঁৰৰ সামগ্ৰিক সজ্জা, কৌশল আৰু যুক্তি প্ৰকাশ কৰে। প্ৰণালীয়েই অধ্যয়নৰ বাবে গৱেষকক এক পদ্ধতিগত পৰিকল্পনা বা আচনি দিয়ে (লিডি আৰু অৰমৰডে ২০১৫)।

গৱেষণা 'প্ৰণালী' (Method) আৰু গৱেষণা 'পদ্ধতি' (Methodology) শব্দ দুটা সম্পৰ্কীয় হ'লেও কিছু পাৰ্থক্যও নথকা নহয়। গৱেষণা প্ৰণালী হৈছে গৱেষকসকলে তথ্য সংগ্ৰহ আৰু বিশ্লেষণৰ বাবে ব্যৱহাৰ কৰা কৌশল। ই হৈছে বিশ্লেষণৰ সময়ত ব্যৱহাৰ কৰা ব্যৱহাৰিক পদক্ষেপ আৰু সঁজুলি। গৱেষণা প্ৰণালীৰ উদাহৰণ হ'ল জৰীপ, পৰীক্ষা, সাক্ষাৎকাৰ, পৰ্যবেক্ষণ, আৰু বিষয় বিশ্লেষণ ইত্যাদি।

আনহাতে, গৱেষণা 'পদ্ধতি'ৰ পৰিসৰ অলপ বিশাল। ই গৱেষণা প্ৰক্ৰিয়াৰ বিভিন্ন প্ৰণালীৰ সমষ্টি। গৱেষণা পদ্ধতিয়ে দাৰ্শনিক পট, তাত্ত্বিক দৃষ্টিভংগী আৰু সমগ্ৰ গৱেষণা প্ৰক্ৰিয়াটোক পথ প্ৰদৰ্শন কৰা আটাইবোৰ কৌশলক সামৰি লয়। ই গৱেষণা প্ৰণালী বাছনি কৰাৰ যুক্তি প্ৰদান কৰে আৰু গৱেষকৰ দৃষ্টিভংগী বুজিবলৈ সহায় কৰে।

মূলতঃ গৱেষণা প্ৰণালীয়ে গৱেষণা পদ্ধতিৰ নিৰ্বাচন আৰু প্ৰয়োগৰ মঞ্চ নিৰ্ধাৰণ কৰে। ইয়াৰ লগত গৱেষকৰ দৃষ্টিভংগী, গৱেষণা প্ৰশ্নৰ প্ৰকৃতি, আৰু অধ্যয়নৰ সামগ্ৰিক সজ্জা আদি বিবেচনা জড়িত হৈ থাকে। পদ্ধতিয়ে গৱেষকসকলক তেওঁলোকৰ গৱেষণাৰ লক্ষ্য আৰু প্ৰকৃতিৰ ওপৰত ভিত্তি কৰি ব্যৱহাৰ কৰিবলগীয়া আটাইতকৈ উপযুক্ত প্ৰণালীসমূহৰ বিষয়ে জ্ঞাত সিদ্ধান্ত লোৱাত সহায় কৰে। গতিকে গৱেষণা প্ৰণালী হৈছে তথ্য সংগ্ৰহ আৰু বিশ্লেষণৰ বাবে ব্যৱহাৰ কৰা নিৰ্দিষ্ট কৌশল, আনহাতে গৱেষণা পদ্ধতি হৈছে সমগ্ৰ গৱেষণা প্ৰক্ৰিয়াটো

প্ৰণালীৰ নিৰ্বাচন আৰু প্ৰয়োগৰ বিজ্ঞানসন্মত অধ্যয়ন।

গৱেষণা প্ৰণালী আৰু পদ্ধতিৰ সংযোগতেই এক সু-সংগঠিত, প্ৰণালীবদ্ধ গৱেষণা সম্ভৱ হৈ পৰে। প্ৰণালী আৰু পদ্ধতিৰ মাজৰ আন্তঃক্ৰিয়া আৰু সমন্বয়ে গৱেষণাৰ তথ্যসমূহ সংহত আৰু নিশ্চিত কৰে। গৱেষণা প্ৰণালী আৰু পদ্ধতি নিৰ্দিষ্ট, এইটোৱেই হ'ব বা থাকিব লাগিব- এনে নহয়, সময়ৰ লগত গৱেষণা প্ৰণালী-পদ্ধতিবিলাকৰ স্বৰূপ পৰিৱৰ্তন হৈ থাকে আৰু নতুনত্ব সংযোগ হৈ গৈ থাকে। ক্ৰেছৱেলে উল্লেখ কৰা অনুসৰি গৱেষকসকলে প্ৰায়ে নতুন ধাৰা, প্ৰযুক্তিগত উন্নতি আৰু গৱেষণামূলক প্ৰশ্নৰ প্ৰকৃতিৰ ওপৰত ভিত্তি কৰি নিজৰ পদ্ধতিসমূহ খাপ খুৱাই পৰিশোধন বা পৰিৱৰ্তন কৰে। এই সংযোজন পৰিশোধনে গৱেষণা প্ৰক্ৰিয়াটো যে সময়োপযোগী হৈছে, বা বৰ্তমানৰ প্ৰত্যাহ্বানসমূহৰ সৈতে মুখামুখী হ'ব পৰাকৈ প্ৰাসংগিক আৰু ফলপ্ৰসূ হৈছে সেয়া নিশ্চিত কৰে।

১২.৬ প্ৰকাৰভেদ

বহল ভাৱে গৱেষণাক দুটা মূল ভাগত ভাগ কৰিব পাৰি- 'পৰিমাণগত গৱেষণা' (Quantitative Research) আৰু 'গুণগত গৱেষণা' (Qualitative Research)। পৰিসংখ্যাগত তথ্য উলিয়াবলৈ আৰু তথ্যসমূহ সাধাৰণীকৰণ কৰিবলৈ, সংখ্যাগত তথ্য সংগ্ৰহ আৰু বিশ্লেষণ পৰিমাণগত গৱেষণাই সামৰি লয়। ক্ৰেছৱেলৰ মতেএই ধৰণৰ গৱেষণা লক্ষ্য হৈছে চলক (variables) সমূহৰ জুখ-মাখ, সাংখ্যিক ৰূপত প্ৰকাশ কৰা আৰু সেইবোৰৰ মাজৰ সম্পৰ্ক স্থাপন কৰা। ইয়াৰ বিপৰীতে গুণগত গৱেষণাই শব্দ, ছবি বা পৰ্যবেক্ষণৰ দৰে অসংখ্যাগত তথ্য আৰু পৰিঘটনাসমূহৰ অন্বেষণত গুৰুত্ব আৰোপ কৰে। গুণগত গৱেষণা মূলত ব্যাখ্যাধৰ্মী আৰু অৰ্থ, আৰ্হি আৰু প্ৰসংগ উলিয়াবলৈ প্ৰচেষ্টা কৰা দেখা যায়।

গুণগত আৰু পৰিমাণগত এই দুয়ো গৱেষণাৰ বিভিন্ন উপভাগ আছে। গৱেষণা বিভিন্ন ক্ষেত্ৰ অনুসৰি ইয়াৰ ধৰণ বেলেগ বেলেগ হয়। মনোবিজ্ঞান, চিকিৎসাবিজ্ঞানৰ দৰে ক্ষেত্ৰত পৰিমাণগত গৱেষণা প্ৰায়ে ব্যৱহাৰ কৰা হয়, য'ত সংখ্যাগত তথ্য আৰু পৰিসংখ্যা বিশ্লেষণৰ প্ৰয়োজনীয়তা আছে। আনহাতে, গুণগত গৱেষণা সাধাৰণতে নৃতত্ত্ব, সমাজবিজ্ঞান, সাহিত্য আৰু শিক্ষাৰ দৰে শাখাত ব্যৱহাৰ কৰা হয়, য'ত মানুহৰ আচৰণ, সংস্কৃতি, পাঠ আৰু প্ৰসংগ বুজাবলৈ যত্ন কৰা হয়। আৰু কেতিয়াবা গুণগত আৰু পৰিমাণগত দুয়োটাৰ মিশ্ৰিত পদ্ধতিৰেও গৱেষণা অগবঢ়ায়।

বিভিন্ন সময়ত পণ্ডিতসকলে গৱেষণাৰ বিভিন্ন ভাগৰ বিষয়ে আলোচনা কৰিছে। সেইবোৰ চালি-জাৰি চাই তলত গৱেষণাৰ বিভিন্ন ভাগবিলাকৰ আভাস দিয়া হ'ল-

- **পৰিমাণগত গৱেষণা** (Quantitative Research) ঃ এই গৱেষণা বিভিন্ন উপভাগবোৰ হৈছে- পৰীক্ষামূলক গৱেষণা (Experimental Research), সম্পৰ্কীয় গৱেষণা (Correlational

Research), জৰীপ গৱেষণা (Survey Research) ইত্যাদি। পৰিমাণগত গৱেষণাই অৰ্থনীতি,মনোবিজ্ঞান, ঔষধ ইত্যাদি ক্ষেত্ৰবিলাক সামৰি লয়।

- **গুণগত গৱেষণা** (Qualitative Research)ঃ গুণগত গৱেষণাই সামৰা ক্ষেত্ৰবিলাক হৈছে- নৃতত্ত্ব, সমাজবিজ্ঞান, শিক্ষা ইত্যাদি।

- **মিশ্ৰিত পদ্ধতিৰ গৱেষণা** (Mixed Methods Research)ঃ পৰিমাণগত আৰু গুণগত দুয়োটা পদ্ধতিৰ সংমিশ্ৰণত আগবঢ়োৱা গৱেষণাই হৈছে মিশ্ৰিত পদ্ধতিৰ গৱেষণা । সমাজ বিজ্ঞান, শিক্ষা, স্বাস্থ্যসেৱা আদি ইয়াৰ আওতাত পৰে ।

- **ক্ৰিয়া গৱেষণা** (Action Research)ঃ এই গৱেষণাই ব্যৱহাৰিক সমস্যা সমাধানৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াত অংশগ্ৰহণকাৰীৰ গুৰুত্ব আৰু সহযোগিতাৰ ভূমিকা থাকে। বিশেষকৈ শিক্ষা, সমাজ উন্নয়ন, স্বাস্থ্যসেৱা ইত্যাদি ক্ষেত্ৰত ইয়াৰ গুৰুত্ব আছে।

- **বৰ্ণনামূলক গৱেষণা** (Descriptive Research)ঃ বিভিন্ন ভাগবোৰ হৈছে- পৰ্যবেক্ষণমূলক গৱেষণা (Observational Research), ঘটনা অধ্যয়ন (Case Studies), সমাজ বিজ্ঞান, বিপণন, মনোবিজ্ঞান আদি।

- **ঐতিহাসিক গৱেষণা** (Historical Research)ঃ অতীতৰ পৰিঘটনা, কাৰ্য্য বা অৱস্থাৰ সম্পৰীক্ষাই এই গৱেষণা মূল উদ্দেশ্য। বিশেষকৈ ঐতিহাসিক নথি-পত্ৰৰ বিশ্লেষণ ইয়াত কৰা হয়। ইতিহাস, পু�ৰাতত্ত্ব, নৃতত্ত্ব আদি ক্ষেত্ৰৰ গৱেষণা এই শাখাত ধৰা হয়।

- **দীৰ্ঘকালীন গৱেষণা** (Longitudinal Research)ঃ এই গৱেষণাই ক্ৰমবিৱৰ্তিত সময়ৰ লগে লগে হোৱা বিভিন্ন পৰিৱৰ্তনৰ বিষয়ে অন্তৰ্দৃষ্টি প্ৰদান কৰে।
- ক্ৰমবিকাশমান মনোবিজ্ঞান (Developmental Psychology), সমাজবিজ্ঞান (Sociology), মহামাৰী বিজ্ঞান (Epidemiology) ইয়াৰ ক্ষেত্ৰৰ উদাহৰণ।

- **অন্বেষণমূলক গৱেষণা** (Exploratory Research)ঃ নতুন বিষয় বা পৰিঘটনা অন্বেষণ কৰাৰ লক্ষ্যৰে এই গৱেষণা আগবাঢ়ে। বিশেষকৈ গৱেষণাৰ প্ৰাৰম্ভিক পৰ্যায়ত প্ৰায়ে ইয়াৰ গুৰুত্ব দেখা যায়। প্ৰযুক্তি, ব্যৱসায়িক উদ্ভাৱন, সমাজ বিজ্ঞান ইয়াৰ ক্ষেত্ৰৰ ভিতৰোৱা হক্সৰ পাৰে ।

এনেদৰে গৱেষণাৰ বিষয়ৰ গুৰুত্ব, ইয়াৰ ক্ষেত্ৰ আৰু প্ৰণালীৰ দিশবিলাক চালিজাৰি চাই আমি বিভিন্ন প্ৰকাৰৰ গৱেষণা সৈতে পৰিচিত হ'ব পাৰোঁ।



১২.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- গৱেষণা হৈছে নতুন জ্ঞান আৱিষ্কাৰ কৰা, উপলব্ধ তথ্যৰ বৈধতা প্ৰদান কৰা বা নিৰ্দিষ্ট প্ৰশ্নসমূহৰ উত্তৰ দিয়াৰ লক্ষ্যৰে কৰা এক পদ্ধতিগত অনুসন্ধান প্ৰক্ৰিয়া। ইয়াত তথ্য সংগ্ৰহ, বিশ্লেষণ আৰু ব্যাখ্যাৰ বাবে সংগঠিত পদক্ষেপ বা প্ৰণালী থাকে ।
- গৱেষণা পৰিমাণগত বা গুণগত হ'ব পাৰে। পৰিমাণগত গৱেষণা সংখ্যাগত তথ্য আৰু পৰিসংখ্যাগত বিষয়ৰ সৈতে জড়িত, আনহাতে গুণগত গৱেষণা অসংখ্যাগত তথ্য ব্যৱহাৰ কৰি পৰিঘটনাসমূহ গভীৰভাৱে অন্বেষণ কৰে।
- পৰিমাণগত উপপ্ৰকাৰসমূহৰ ভিতৰত পৰীক্ষামূলক, সম্পৰ্কীয় আৰু জৰীপ গৱেষণা অন্তৰ্ভুক্ত, যিবোৰ অৰ্থনীতি আৰু মনোবিজ্ঞানৰ দৰে ক্ষেত্ৰত প্ৰয়োগ কৰা হয়। গুণগত উপপ্ৰকাৰসমূহৰ ভিতৰত নৃতাত্ত্বিক আৰু সমাজবিজ্ঞানত ব্যৱহৃত নৃতাত্ত্বিক, ঘটনা অধ্যয়ন আৰু পৰিঘটনাবিজ্ঞান আদি অন্তৰ্ভুক্ত।
- মিশ্ৰিত পদ্ধতিৰ গৱেষণাই পৰিমাণগত আৰু গুণগত দুয়োটা পদ্ধতিৰ সংমিশ্ৰণ ঘটায়, যিটো সমাজ বিজ্ঞান আৰু স্বাস্থ্যসেৱাৰ দৰে ক্ষেত্ৰত প্ৰয়োগ হোৱা দেখা যায়। ক্ৰিয়া বা কাৰ্য গৱেষণাই ব্যৱহাৰিক সমস্যা সমাধানৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু শিক্ষা আৰু সামাজিক বিকাশৰ দৰে ক্ষেত্ৰত সহযোগিতা আগবঢ়াই।
- জ্ঞানৰ বিকাশ, সমস্যাৰ সমাধান, উদ্ভাৱন আৰু ইয়াৰ পালন, তথ্যৰ সত্যাসত্য নিৰূপণ, আৰু শৈক্ষিক দিশত অৱিহণা যোগোৱাৰ বাবে গৱেষণা অপৰিহাৰ্য।



১২.৬ অধিক জানিবলৈ

Booth, W. C., Colomb, G. G., & Williams, J. M. (2008). *The Craft of Research* (3rd ed.). University of Chicago Press.

Creswell, J. W. (2013). *Research Design: Qualitative, Quantitative, and Mixed Methods Approaches* (4th ed.). SAGE Publications.

Kumar, R. (2011). *Research Methodology: A Step-by-Step Guide for Beginners* (3rd ed.). SAGE Publications.

Kothari, C. R. (2004). *Research Methodology: Methods and Techniques* (2nd ed.). New Age International Publishers.

Leedy, P. D., & Ormrod, J. E. (2015). *Practical research. Planning and design* (11th ed.). Boston,

কলিতা, ৰঞ্জন (সম্পা.) (২০১৭)। *গৱেষকৰ হাতপুথি* । বান্ধৱ।

শইকীয়া, নগেন (২০১১)। *গৱেষণা পদ্ধতি পৰিচয়*। কৌস্তুভ প্ৰকাশন।



১২.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ গৱেষণা বুলিলে সাধাৰণতে যি বুজি পায়... বিভিন্ন মতামতৰ আলোচনা কৰিব।

২নং প্ৰশ্নৰ উত্তৰ ঃ গৱেষণাই কি কি কাম সম্পাদন কৰে... ইয়াৰ প্ৰাসংগিকতা আলোচনা কৰিব।



১২.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ গৱেষণাৰ সংজ্ঞা দাঙি ধৰি ইয়াৰ স্বৰূপ বিচাৰ কৰক ।

প্ৰশ্ন ২ ঃ গৱেষণাৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা যুগুত কৰক।

প্ৰশ্ন ৩ ঃ গৱেষণা প্ৰণালী কি? ই গৱেষণাত কি কাৰ্য সম্পাদন কৰে লিখক।

প্ৰশ্ন ৪ ঃ গৱেষণাৰ বিভিন্ন প্ৰকাৰভেদৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৫ ঃ চমুটোকা লিখক— ক) গুণগত গৱেষণা খ) পৰিমাণগত গৱেষণা
গ) গৱেষণা পদ্ধতি

*** ***** ***